
# “গণিত বিকাশ”ৰ প্ৰথম সংখ্যাৰ সম্পাদকীয়

**১৯৮৬ চনৰ ১৮ জুলাইত প্ৰতিষ্ঠা লাভ কৰা “অসম গণিত শিক্ষায়তন”-এ তাৰ পিছৰ বছৰৰ পৰা ছমহীয়া দ্বিভাষিক আলোচনী “গণিত বিকাশ” প্ৰকাশ কৰি আহিছে। “গণিত বিকাশ”ৰ প্ৰথম সম্পাদক ড° অমলা বেজবৰুৱা। তেখেতৰ প্ৰথম সম্পাদকীয়টি পুনৰ প্ৰকাশ কৰা হ’ল:**

যোৱা পাঁচ ছটা দশকত সমগ্ৰ বিশ্বতে গণিতৰ এক প্ৰকাৰ বিস্ফোৰণ ঘটিছে। ফলত উচ্চশিক্ষাৰ সকলো এলেকাতে ইয়াৰ চমকপ্ৰদ প্ৰভাৱ পৰিছে– তেহেলৈ চিকিৎসা বিজ্ঞানেই হওক, অৰ্থনীতিয়েই হওক, ৰসায়নেই হওক বা দৰ্শনেই হওক। এনে অৱস্থাত গণিত চৰ্চাৰ বাতাবৰণ এটা অসমতো তৈয়াৰ কৰিবৰ হ’ল। উঠি অহা ছাত্ৰ-ছাত্ৰীৰ গণিতৰ প্ৰতি আকৰ্ষণ বঢ়াই ইয়াৰ অধ্যয়ন আৰু গৱেষণা কৰাৰ স্পৃহা জগাই তুলিবৰ মানসেৰেই **অসম গণিত শিক্ষায়তন** (Assam Academy of Mathematics)-অৰ জন্ম। শিক্ষায়তনখনৰ বিষয়ে এই সংখ্যাতে বেলেগ এঠাইত পঢ়িবলৈ পাব। ছাত্ৰ-ছাত্ৰীৰ আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ গণিতৰ প্ৰতি ধাউতি বঢ়াবলৈ আৰু গণিতৰ অধ্যয়নেই যে সুন্দৰৰ আৰাধনা হ’ব পাৰে ইয়াক উপলব্ধি কৰাবলৈ আলোচনী এখন উপযুক্ত মাধ্যম। এই উদ্দেশ্য আগত ৰাখি **গণিত বিকাশ** ছমহীয়া আলোচনী হিচাপে প্ৰকাশ কৰিবলৈ শিক্ষায়তনে সিদ্ধান্ত লয়।

আলোচনীখনৰ প্ৰথম সংখ্যাটো এই সময়ত প্ৰকাশ কৰিব পাৰি আনন্দিত আৰু কৃতাৰ্থ হোৱাৰ এটা বিশেষ কাৰণ আছে। যিজন ভাৰতীয়ই জীৱনৰ ম্যাদ মাত্ৰ বত্ৰিশ বছৰহে পায়ো আধুনিক যুগৰ গণিতৰ সমাজত নিজকে অমৰ কৰি থৈ গ’ল সেইজন ৰামানুজনৰ জন্ম শতবাৰ্ষিকী সমগ্ৰ দেশেই এই বছৰ পালন কৰিবলৈ ওলাইছে। অসম গণিত শিক্ষায়তনেও ২০ জুলাই ১৯৮৭ তাৰিখটো ’ৰামানুজন দিবস’ হিচাপে পালিবলৈ ওলাইছে। অকালতে মৃত্যুবৰণ কৰা সেইজনা প্ৰতিভাশালী গণিতজ্ঞৰ স্মৃতিত গণিত বিকাশৰ এই প্ৰথম সংখ্যাটো পৰম শ্ৰদ্ধাৰে উচৰ্গা কৰিছো আৰু আমাৰ এই সৌভাগ্য হোৱা বাবে ধন্য মানিছো।




“গণিত বিকাশ”ৰ প্ৰথমটি সংখ্যাৰ বেটুপাত

সংগ্ৰহ: ড° চন্দ্ৰৰেখা মহন্ত


অসম গণিত শিক্ষায়তনে আলোচনী এখন বছৰত দুবাৰকৈ প্ৰকাশ কৰিবলৈ থিৰাং কৰি যেতিয়া সম্পাদনা সমিতি এখন পাতি দিলে তেতিয়া প্ৰথমেই আমি শংকিত হৈ পৰিলো, কিয়নো কেৱল গণিতৰ চৰ্চা কৰা আলোচনী এখন মনোগ্ৰাহী আৰু উপকাৰী দুয়োটাই নহ’লে পাঠকে গ্ৰহণ নকৰিব। পিছে উচ্চ-

উচ্চতৰ মাধ্যমিক শ্ৰেণীত পঢ়া ছাত্ৰ-ছাত্ৰীৰ পৰা পোৱা কেইখনমান চিঠিয়ে আমাক অনুপ্ৰাণিত কৰাৰ উপৰিও পৰোক্ষভাৱে জনাই দিলে যে আলোচনীখনৰ পৰা কিবা এটা আশা অন্ততঃ বিদ্যাৰ্থী মহলে কৰিছে। গতিকে গণিত প্ৰেমী পাঠকৰ আশাৰ এধানিমানো পূৰণ হ'লে আৰু অন্য পাঠকক গণিতৰ প্ৰতি অলপ আকৰ্ষিত কৰিব পাৰিলে আমি সফল হৈছো বুলি ধৰিম।

গণিত বিকাশৰ এই সংখ্যা প্ৰস্তুত কৰোতে বহুতৰ অকুণ্ঠ আৰু সক্ৰিয় সহায় সহযোগিতা পাইছো। কেইবাগৰাকী প্ৰকাশকেও দান বৰঙনি দি সহায় কৰিছে। আমি তেখেতসকলৰ ওচৰত কৃতজ্ঞ। *চাপৰ* চাহ বাগানৰ মেনেজাৰ শ্ৰী মৃণাল কান্তি বসুয়ে শকত অংকৰ সাহায্য এটা 'গণিত বিকাশ'ৰ বাবে দিছে। শ্ৰী বসুৰ গণিতৰ প্ৰতি অনুৰাগৰ কথা জানি আমি আনন্দ পাইছো আৰু সাহায্যৰ বাবে তেখেতক কৃতজ্ঞতা যাঁচিছো। *প্ৰেষকৰ* অংশীদাৰ মালিক শ্ৰী বদন বৰুৱাৰ সহায় সহযোগিতাৰ কথা নক'লে দোষে চুব। লগতে শ্ৰী দেবেন দত্তৰো শলাগ লৈছো। নানান আহুকালৰ মাজতো তেওঁলোক দুজনে অশেষ কষ্ট কৰি অতি কম সময়ৰ ভিতৰত আলোচনীখন ছপা কৰি উলিয়াই দিয়া বাবে আন্তৰিক কৃতজ্ঞতা জনালোঁ।

শেষত আশা কৰিছো অনভিজ্ঞ দল এটাৰ প্ৰথম প্ৰচেষ্টাক পঢুৱৈ সমাজে মৰমৰ চকুৰে চাব; আৰু আলোচনীখনত থকা দোষ ত্ৰুটি আঙুলিয়াই দি সু-পৰামৰ্শ আগবঢ়াই আমাক উৎসাহিত কৰিব।

**“গাণিত বিকাশ”ৰ প্ৰথম সংখ্যাত বিনয় কুমাৰ তামুলীদেৱে “গাণিতিক সৃষ্টি” শীৰ্ষক এটি গুৰুত্বপূৰ্ণ প্ৰবন্ধ লিখিছিল। অঁৰি পইনকাৰেৰ একে শীৰ্ষক এটি বক্তৃতাক ভিত্তি কৰি সেইটো লিখা হৈছিল। প্ৰবন্ধটো আছিল মূলতঃ বিভিন্ন লেখাৰ পৰা লোৱা দীঘলীয়া ইংৰাজী উক্তি কিছুমানৰ এটি সংকলন। সেই উক্তিসমূহ সম্পূৰ্ণকৈ অসমীয়ালৈ অনুবাদ কৰাৰ থল আছে। এইবাৰৰ “গণিত বিকাশ”ত অঁৰি পইনকাৰেৰ সেই বক্তৃতাটিৰ অসমীয়া অনুবাদ আগবঢ়োৱা হৈছে।**


প্ৰথম সংখ্যা ঃ জুলাই ১৯৮৭ ● গণিত বিকাশ ● GANIT BIKASH

অসম গণিত শিক্ষায়তনৰ
১৯৮৬-৮৭ চনৰ কাৰ্যবাহী সমিতি

সভাপতি : ড°বুদ্ধপ্ৰসাদ চেতিয়া; গুৱাহাটী বিশ্ববিদ্যালয়।
উপ সভানেত্ৰী : শ্ৰীমতী চিত্ৰা চৌধুৰী; তাৰিণী চৰণ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়, গুৱাহাটী।
সাধাৰণ সম্পাদক : ড°তাৰকেশ্বৰ চৌধুৰী; কটন কলেজ, গুৱাহাটী।
যুটীয়া সম্পাদক : শ্ৰীৰাম চন্দ্ৰ ডেকা; প্ৰাগজ্যোতিষ কলেজ, গুৱাহাটী আৰু শ্ৰীদিলীপ শৰ্মা; কটন কলেজ, গুৱাহাটী।
কোষাধ্যক্ষ : শ্ৰীবিশ্বজিত ভাগৱতী; কটন কলেজ, গুৱাহাটী।

অন্যান্য সভ্যসকল ঃ ড°অৰবিন্দ দেব মিশ্ৰ, ৰফিউল হক, ড°উপেন্দ্ৰ নাথ মিশ্ৰ, বিজিত দে, ড° অমলা বেজবৰুৱা, ৰঞ্জনা চৌধুৰী, ড°উপেন্দ্ৰ নাথ দাস, ড°ভবেন্দ্ৰ নাথ মেনা, কৈলাশ গোস্বামী ( এই সকল গুৱাহাটীৰ ), প্ৰণীতা চক্ৰবৰ্তী ( উদৰবন্দ ), অৰুণ কংসবনিক (চাপৰ), সন্তৰাম কাকতি (নলবাৰী), প্ৰশান্ত কুমাৰ বৰ্মন (চামতা), খগেন্দ্ৰ চন্দ্ৰ দাস (দমদমা), গজেন্দ্ৰ নাথ দাস (বিজনী), পদ্ম তামূলী (নাজিৰা), ভূপেন্দ্ৰ নাথ তালুকদাৰ (বৰপেটা), নগেন্দ্ৰ নাথ কলিতা (মাৰ্ঘেৰিটা), শংখধৰ শৰ্মা (অভয়াপুৰী)।


সূচীপত্ৰ


1. A teacher's tribute to Ramanujan. B.C.Deka 1
2. লেওনাৰ্ড অইলাৰ—এক সশ্ৰদ্ধ স্মৰণ দিলীপ শৰ্মা 9
3. গাণিতিক সৃষ্টি—বিনয় কুমাৰ তামুলী 15
4. Role of Mathematics in Geography. H.N.Sharma. 21
5. গণিতীয় চিন্তা আৰু যুক্তি কৈলাশ গোস্বামী 25
6. ইউৰেকা ( গল্প ) আৰ.ডি.চি. 30
7. পাইথাগোৰাচৰপৰা আইনষ্টাইনলৈ ডিপুনাথ শৰ্মা 33
8. স্বাভাৱিক সংখ্যাৰ আকাৰ আৰু চৰিত্ৰ— বুদ্ধপ্ৰসাদ চেতিয়া 37
9. Mathematics in Statistics— A.Borthakur. 40
10. প্ৰশ্নোত্তৰ 45
11. Regional Mathematical Olympiad 48
Questions of the RMO,1987 49
Hints to the solutions 51
Questions of the INMO, 1986 53
The Prizewinners of the RMO, 1987 54
12. The Assam Academy of Mathematics.—T.Choudhury 55


॥ সম্পাদনাত ॥

সম্পাদিকা : ড°অমলা বেজবৰুৱা
সভাসকল : ড°অৰবিন্দ দেব মিশ্ৰ, ড°উপেন্দ্ৰ নাথ মিশ্ৰ, শ্ৰীৰফিউল হক, শ্ৰীসন্তৰাম কাকতি।

“গণিত বিকাশ”ৰ প্ৰথমটি সংখ্যাৰ সূচী ইত্যাদি
সংগ্ৰহ: ড° দিলীপ শৰ্মা




“গণিত বিকাশ”ৰ দ্বিতীয়টি সংখ্যাৰ বেটুপাত